# এটা অস্থিৰ ৰাতিপুৱা

**(মৰমৰ ভাই, কমৰেড নৰজিৎ শৰ্মাৰ সোঁৱৰণত)**

**জুবিন গাৰ্গ**

অস্থিৰ অধীৰ মোৰ আৱেগৰ খহনীয়াত
আজি উচুপি উঠিল মোৰ ৰাতিপুৱাটো
এটা গান
আৰম্ভ নহওতেই
শেষ হৈ গ'ল
ছন্দময় জীৱনৰ বালিচৰত
দুখোজ দিওতেই
উজুটি খাই পৰিল
এটা সুন্দৰ কবিতা

জীৱনৰ হলাহল পান কৰি কৰি হয়তো
ময়ো নীলকণ্ঠ হ'বলৈ গৈ আছোঁ
অমৃতমন্থনৰ বিষবাষ্পই আৱৰি ধৰিছে
মোৰ চৌদিশ
সিৰা-উপসিৰাত মোৰ
শোকৰ দুৰ্নিবাৰ উদ্‌গীৰণ
নেজানো
আৰু কিমান দিন চলিব
এই ছাঁ-পোহৰৰ খেলা

তথাপি কওঁ
মোৰ স্মৃতিৰ বকুলজুপিত
কেইপাহমান ফুল
সদায় সতেজ হৈ ৰ'ব

কেতিয়াও মৰহি নেযায়...